**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং –৪৫৭**
**উত্তৰ দিয়া তাৰিখঃ ২৩/০৭/২০২৬**

**বিষয়ঃ** টিউটৰসকলক স্থায়ী শিক্ষক পদলৈ উন্নীতকৰণ। **বিধায়কঃ** মোঃ নুৰুল ইছলামঃ

**৪৫৭**। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ বিভিন্ন শিক্ষানুষ্ঠানত সম্প্ৰতি কিমানগৰাকী টিউটৰে শিক্ষা দানৰ সৈতে জড়িত হৈ আছে? শিক্ষানুষ্ঠানত যথোপযুক্ত পাঠদানৰ ক্ষেত্ৰত তেওঁলোক যোগ্যনে? (উত্তৰ জিলা ভিত্তিত বিস্তৃত তথ্যসহ দিব)।

(খ) উক্ত টিউটৰসকলে একেখন শিক্ষানুষ্ঠানত কৰ্মৰত শিক্ষকসকলৰ তুলনাত নিম্নমানৰ শিক্ষাদান কৰে নেকি? (উত্তৰ বিস্তৃত তথ্যসহ দিব)।

(গ) যদি নহয়, টিউটৰসকলক মাহিলী কি হাৰত মাননী আদায় দিয়া হ'য়? একেলগে শিক্ষকতা কৰা এগৰাকী টিউটৰক এগৰাকী নিয়মীয়া শিক্ষকৰ তুলনাত অতি সামান্য পৰিমাণৰ পাৰিতোষিক বা মাননী আদায় দিয়াটো অন্যায়মূলক, বৈষম্যমূলক আচৰণ নহয়নে? (উত্তৰ বিস্তৃত তথ্যসহ দিব)।

(ঘ) মানৱীয়তাৰ দৃষ্টিভংগীৰে ৰাজ্যৰ টিউটৰসকলৰ চাকৰি নিয়মীয়া কৰি শিক্ষকসকলৰ সমহাৰত দৰমহা প্ৰদানৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে? (উত্তৰ বিস্তৃত তথ্যসহ দিব।)

**উত্তৰঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিবঃ

(ক) অসমৰ বিভিন্ন শিক্ষানুষ্ঠানত সম্প্ৰতি ৭৫৮৮গৰাকী (Provincialized & Accommodated) টিউটৰ প্ৰাথমিক বিদ্যালয়ৰ অধীনত আৰু ২৭৬৯গৰাকী টিউটৰ মাধ্যমিক বিদ্যালয়ৰ অধীনত শিক্ষাদানৰ সৈতে জড়িত হৈ আছে।
(জিলাভিত্তিক তালিকা পৰিশিষ্ট 'ক' ত আৰু পৰিশিষ্ট 'খ' ত সংলগ্ন কৰা হল)।
শিক্ষকৰ যোগ্যতা শ্ৰেণী কথা পাঠদানৰ উপৰত মূল্যায়ন কৰা নহয়। স্কুল খনৰ সামগ্ৰিক মানদণ্ডত পৰীক্ষাৰ ফলাফল কে আদি কৰী বিভিন্ন দিশৰ উপৰত নিৰ্ভৰ কৰে।

(খ) স্কুলৰ শিক্ষা দানৰ ক্ষেত্ৰত শিক্ষকৰ কোনো নিম্নমানৰ বা উচ্চমানৰ নিৰ্ধন কৰা নাজাই। উল্লেখ থাকে যে শিক্ষক / টিটিউটৰ শিক্ষাদানৰ সাফল্যতা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তোৰণৰ ওপৰত নিৰ্ভৰ কৰে। টিউটৰসকলে একেখন শিক্ষানুষ্ঠানত কৰ্মৰত অন্যসকল শিক্ষকসকলৰ দৰেই নিজ নিজ বিষয়ত শিক্ষা দান কৰে।

(গ) প্ৰাদেশিকীকৰণ আইন, ২০১৭ অনুসৰি টিউটৰ আৰু টিউটৰ Science সকলৰ মাহিলী মাননী নিৰ্ধন কৰা যায়। ঠিক তেনে ধৰণে বিধি অনুসৰি নিয়মীয়া শিক্ষক সকলৰ দৰমহাও নিৰ্ধন কৰা যায়।

(ঘ) প্ৰাদেশিকীকৰণ আইন, ২০১৭ অনুসৰি যিসকল টিউটৰৰ বৃত্তিগত আৰু শিক্ষাগত অৰ্হতা অৰ্জন কৰে তেওঁলোকৰ পদ শিক্ষকলৈ উন্নতীকৰণৰ ব্যৱস্থা আছে। ইতিমধ্যে যঠেষ্ট সংখ্যাক অৰ্হতা থকা টিউটক শিক্ষকলৈ উন্নতীকৰণ কৰা হৈছে। উল্লেখ থাকে যে প্ৰাদেশিকীকৰণ সংশোধনী আইন, ২০২৫ অনুসৰি এই অৰ্হতা আহৰণ কৰা সময়সীমা ৫ বছৰৰ পৰা ৭ বছৰলৈ বৃদ্ধি কৰা হৈছে আৰু উক্ত সময়ৰ ভিতৰত অৰ্হতা অৰ্জন কৰা যোগ্য টিউটৰসকলক শিক্ষকলৈ উন্নতীকৰণ কৰা হব।

( তৰাবিহীন প্ৰশ্ন নং – **৪৫৭** ৰ উত্তৰ আৰু পৰিশিষ্টসমূহ eVidhan (NeVA) পৰ্টেলত উপলব্ধ )

পৰিশিষ্ট ‘ক’

| জিলাভিত্তিক তালিকা | | | |
|---|---|---|---|
| Sl. No. | District | LPS | UPS |
| 1 | Bajali | 13 | 52 |
| 2 | Baksa | 2 | 0 |
| 3 | Barpeta | 84 | 243 |
| 4 | Biswanath | 14 | 23 |
| 5 | Bongaigaon | 1 | 387 |
| 6 | Cachar | 75 | 131 |
| 7 | Charaideo | 116 | 24 |
| 8 | Darrang | 47 | 119 |
| 9 | Dhemaji | 413 | 333 |
| 10 | Dhubri | 256 | 424 |
| 11 | Dibrugarh | 16 | 91 |
| 12 | Goalpara | 5 | 216 |
| 13 | Golaghat | 17 | 150 |
| 14 | Hailakandi | 144 | 236 |
| 15 | Hojai | 65 | 47 |
| 16 | Jorhat | 17 | 113 |
| 17 | Kamrup | 156 | 260 |
| 18 | Kamrup Metropolitan | 22 | 44 |
| 19 | Karimganj | 212 | 22 |
| 20 | Lakhimpur | 281 | 337 |
| 21 | Majuli | 91 | 32 |
| 22 | Morigaon | 41 | 207 |
| 23 | Nagaon | 216 | 388 |
| 24 | Nalbari | 136 | 106 |
| 25 | Sivasagar | 89 | 53 |
| 26 | Sonitpur | 269 | 315 |
| 27 | South Salamara-Mankachar | 118 | 130 |
| 28 | Tinsukia | 94 | 95 |
| Total | | 3010 | 4578 |

পৰিশিষ্ট 'খ'

| STATEMENT OF DISTRICT WISE TUTORS | | |
|---|---|---|
| Sl No. | District | Nos.of Tutors |
| 1 | Baksa | 73 |
| 2 | Barpeta | 499 |
| 3 | Biswanath | 24 |
| 4 | Bongaigaon | 150 |
| 5 | Cachar | 61 |
| 6 | charaideo | 10 |
| 7 | Chirang | 19 |
| 8 | Darrang | 142 |
| 9 | Dhemaji | 187 |
| 10 | Dhubri | 196 |
| 11 | Dibrugarh | 18 |
| 12 | Dima Hasao | 6 |
| 13 | Goalpara | 122 |
| 14 | Golaghat | 66 |
| 15 | Hailakandi | 31 |
| 17 | Jorhat | 35 |
| 18 | Kamrup | 141 |
| 19 | Kamrup(M) | 38 |
| 20 | Karbi Anglong | 32 |
| 21 | Kokrajhar | 51 |
| 22 | Lakhimpur | 176 |
| 23 | Majuli | 34 |
| 24 | Morigaon | 133 |
| 25 | Nagaon +Hojai | 119 |
| 26 | Nalbari | 115 |
| 27 | Sivasagar | 35 |
| 28 | Sonitpur | 18 |
| 29 | South Salmara, Mankachar | 42 |
| 30 | Sribhumi | 50 |
| 31 | Tinsukia | 63 |
| 32 | Udalguri | 50 |
| 33 | West Karbi Anglong | 33 |
| **Total Nos of Tutors** | | **2769** |

**Director**
Secondary Education,Assam,
kahilipara, Guwahati-19